**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-05-2026 **Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::::::::::**

১। দ্বিতীয়বাৰৰ বাবে বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱা ৰণজিৎ কুমাৰ দাসক লোকসভাৰ অধ্যক্ষ ওম বিৰলাই অভিনন্দন জ্ঞাপন কৰিছে।

২। ভাৰতে সীমান্তৰ সিপাৰৰ পৰা হোৱা সন্ত্ৰাসবাদকে ধৰি সকলো ধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ, ঐক্যবদ্ধ বিশ্বব্যাপী প্ৰচেষ্টা চলাবলৈ আহ্বান জনাইছে।

৩। বিশ্বই ভাৰতক বিশ্বাসযোগ্য অংশীদাৰ হিচাপে গণ্য কৰে বুলি কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে নতুন দিল্লীত আজি এখন উচ্চ পৰ্যায়ৰ নিৰাপত্তা পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব।

oooooooo

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন আজি দিছপুৰত অনুষ্ঠিত হয়। আজি প্ৰথম দিনা অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে বিৰোধী পক্ষৰ ২৪ গৰাকী বিধায়ককে ধৰি মুঠ ১২৬ গৰাকী নৱ-নিৰ্বাচিত বিধায়কক শপতবাক্য পাঠ কৰোৱায়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰথমে শপত গ্ৰহণ কৰে। ইয়াৰ পাছতে মন্ত্ৰী ৰামেশ্বৰ তেলী, অতুল বৰা আৰু অজন্তা নেওগে শপত লয়।

ইয়াৰ পাছত শাসনাধিষ্ঠিত এন ডি এ মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থী তথা ভৱানীপুৰ সৰভোগ সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিধানসভাৰ অধ্যক্ষ হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত হোৱা ৰঞ্জিত কুমাৰ দাসলৈ অভিনন্দন জনায়। শ্ৰীদাসৰ দীৰ্ঘদিনীয়া অভিজ্ঞতা, গভীৰ ৰাজনৈতিক বোধ আৰু সংসদীয় পৰম্পৰাৰ জ্ঞানে বিধানসভাৰ কাৰ্যপৰিচালনাত নতুন গতি প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আস্থা ব্যক্ত কৰে।

উল্লেখযোগ্য যে শ্ৰীদাস হৈছে দ্বিতীয়বাৰৰ বাবে বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱা প্ৰথমগৰাকী বিধায়ক। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই অসম বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱাৰ বাবে ৰণজিৎ কুমাৰ দাসক অভিনন্দন জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত অধ্যক্ষগৰাকীয়ে কয়, যে শ্ৰীদাসৰ দীৰ্ঘদিনীয়া অভিজ্ঞতা আৰু জন সেৱাৰ প্ৰতি থকা অটল দায়বদ্ধতাই বিধানসভাৰ মৰ্যাদা আৰু গণতান্ত্ৰিক পৰম্পৰাক শক্তিশালী কৰিব।

oooooooo

ভাৰতে সীমান্তৰ সিপাৰৰ পৰা হোৱা সন্ত্ৰাসবাদকে ধৰি সকলো ধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ, ঐক্যবদ্ধ বিশ্বব্যাপী প্ৰচেষ্টা চলাবলৈ আহ্বান জনাইছে। নতুন দিল্লীত আজি অনুষ্ঠিত হোৱা ব্ৰিকছৰ একাদশক বাৰ্ষিক সন্ত্ৰাসবাদ বিৰোধী কৰ্মগোটৰ বৈঠকত ভাষণ দি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব চি বি জৰ্জে সন্ত্ৰাসবাদক সমৰ্থন কৰা আৰু আশ্ৰয় দিয়া সকলক জবাবদিহি কৰাৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে গুৰুত্ব

আৰোপ কৰে। সীমান্তৰ সিপাৰৰ পৰা হোৱা সন্ত্ৰাসবাদ সম্পৰ্কে হোৱা উদ্বেগ প্ৰকাশ কৰি তেওঁ সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূণ্য সহনশীল হ'বলৈ আৰু সন্ত্ৰাসবাদক বিত্তীয় সাহায্য আগবঢ়োৱাত বাধা আৰোপ কৰাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা শক্তিশালী কৰি তুলিবলৈও আহ্বান জনায়। ইয়াৰ লগতে ব্ৰিকছৰ সন্ত্ৰাসবাদ বিৰোধী ব্যৱস্থা– স্থায়ী, সৰ্বাত্মক আৰু ফলপ্ৰসূ কৰি তুলিবলৈও শ্ৰীজৰ্জে আহ্বান জনায়।

oooooooo

বিশ্বই ভাৰতক বিশ্বাসযোগ্য অংশীদাৰ হিচাপে গণ্য কৰে বুলি কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি নেতা পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পাঁচখন ৰাষ্ট্ৰ ভ্ৰমণ সন্দৰ্ভত নতুন দিল্লীত আয়োজিত এখন সংবাদমেল সম্বোধন কৰি শ্ৰীগোৱেলে কয়, যে প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে সমাজৰ প্ৰতিটো শ্ৰেণীক সুবিধাৰ নিশ্চয়তা প্ৰদান কৰিব। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰীৰ বিদেশ ভ্ৰমণে বিশ্বৰ মঞ্চত ভাৰতক শক্তিশালী ৰূপে প্ৰতিস্থিত কৰে। এই ভ্ৰমণৰ সময়চোৱাত ভাৰতত ৭হাজাৰ ৫০০ কোটিৰ পৰা ১০ হাজাৰ কোটি টকা পৰ্যন্ত বিনিয়োগ কৰাৰ প্ৰতিশ্ৰুতিকে ধৰি আৰৱ-আমিৰি ৰাষ্ট্ৰৰ সৈতে প্ৰায় ৫৭খন চুক্তি স্বাক্ষৰিত কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কৰা অপমানজনক মন্তব্যৰ বাবেও শ্ৰীগোৱেলে ক্ষোভ প্ৰকাশ কৰে।

oooooooo

চতুৰ্থ ভাৰত-আফ্ৰিকা শীৰ্ষ সন্মিলন আফ্ৰিকাৰ কোনো কোনো অঞ্চলত দেখা দিয়া স্বাস্থ্যজনিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত স্থগিত কৰা হৈছে। অহা ২৮ ৰ পৰা ৩১ মে'লৈ এই সন্মিলন নতুন দিল্লীত অনুষ্ঠিত হোৱাৰ কথা আছিল। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ভাৰতত আফ্ৰিকান সংঘৰ অধ্যক্ষ আৰু আফ্ৰিকান সংঘ আয়োগৰ মাজত হোৱা পৰ্যালোচনাৰ অন্তত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। শীৰ্ষ সন্মিলন আৰু ইয়াৰ লগত জড়িত অন্যান্য বৈঠকৰ নতুন তাৰিখ পাৰস্পৰিক পৰামৰ্শ অনুসৰি থিৰাং কৰা হ'ব আৰু উচিত সময়ত এই বিষয়ে প্ৰকাশ কৰা হ'ব। ভাৰতে আফ্ৰিকাৰ জনসাধাৰণ আৰু চৰকাৰৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰাৰ লগতে স্বাস্থ্যজনিত পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে চলোৱা প্ৰচেষ্টাৰ প্ৰতি সমৰ্থন আগবঢ়াব বুলি প্ৰকাশ কৰে। ভাৰত আৰু আফ্ৰিকাই দেশ দুখনৰ মাজৰ শান্তি, সমৃদ্ধি, উন্নয়ন আৰু জনসাধাৰণৰ কল্যাণৰ প্ৰতি থকা পাৰস্পৰিক প্ৰতিশ্ৰুতিবদ্ধতাৰ ওপৰত নিৰ্ধাৰিত দীৰ্ঘদিনীয়া অংশীদাৰিত্বৰ বিষয়েও দোহাৰে।

ooooooooo

চৰকাৰে দেশত খাৰুৱা তেল, পেট্ৰ'ল, ডিজেল, প্ৰাকৃতিক গেছ আৰু ৰন্ধন গেছ পৰ্যাপ্ত পৰিমাণে মজুত আছে আৰু শোধানাগাৰসমূহে চাহিদা পুৰণৰ বাবে সম্পূৰ্ণ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি পুনৰ দোহাৰে। ৰন্ধন গেছৰ উৎপাদন বৃদ্ধি কৰা হৈছে আৰু শোধানাগাৰসমূহত প্ৰতিদিনে ৪৬ৰ পৰা ৪৭ হাজাৰ টন ৰন্ধন গেছ উৎপাদন হৈছে। নতুন দিল্লীত পশ্চিম এছিয়াৰ পৰিস্থিতিৰ সন্দৰ্ভত অনুষ্ঠিত আন্তঃমন্ত্ৰালয়ৰ বৈঠকত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই কয়, যে যোগান স্থিৰ হৈ আছে। পেট্ৰ'ল পাম্পসমূহত পেট্ৰ'লৰ উপলভ্যতা ৰখাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰন্ধন গেছো পৰ্যাপ্ত পৰিমাণে মজুত আছে আৰু বিগত তিনিটা দিনত ১ কোটি ৩৪ লাখ ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰ যোগান ধৰা হৈছে। ইপিনে, পহিলা মে'ৰ পৰা এতিয়ালৈকে ১লাখ ৩২ হাজাৰ টন বাণিজ্যিক চিলিণ্ডাৰৰ যোগান ধৰা হৈছে। প্ৰাকৃতিক গেছ সন্দৰ্ভত তেওঁ কয়, যে পি এন জি সংযোগ ৭লাখ ৬০ হাজাৰতকৈও অধিক

পৰিয়াললৈ প্ৰসাৰিত কৰা হৈছে। তদুপৰি ২লাখ ৮১ হাজাৰ পি এন জি সংযোগৰ বাবে আন্তঃগাঁথনি নিৰ্মাণ কৰা হৈছে। পি এন জি সংযোগৰ বাবে নতুনকৈ প্ৰায় ৮লাখ পঞ্জীকৰণ হোৱা বুলিও প্ৰকাশ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে নতুন দিল্লীত আজি এখন উচ্চ পৰ্যায়ৰ নিৰাপত্তা পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। শেহতীয়াকৈ ৰে'লত সংঘটিত কেইবাটাও অগ্নিকাণ্ডৰ প্ৰাৰম্ভিক তদন্তত পোহৰলৈ অহা অসামাজিক উপাদান জড়িত থকাৰ কথা বৈঠকত আলোচনা কৰা হয়। মন্ত্ৰালয়ে কয়, যে পৰিঘটনাসমূহ গুৰুত্ব সহকাৰে লোৱা হৈছে আৰু ৰে'ল সুৰক্ষা বাহিনীয়ে সক্ৰিয়ভাৱে তদন্ত আৰম্ভ কৰিছে। পৰ্যালোচনা বৈঠকত হোৱা আলোচনাত প্ৰতিবেদনৰ জৰিয়তে ক্ষেত্ৰসমূহৰ পৰা গোপন তথ্য সংগ্ৰহৰ ব্যৱস্থা শক্তিশালী কৰাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰযুক্তি চালিত সুৰক্ষা ব্যৱস্থা বৃদ্ধি, সমগ্ৰ ৰে'লৰে নেটৱৰ্কত চি চি টিভি সংস্থাপন আৰু কাৰ্যকৰী সুৰক্ষা উন্নীত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত চাইবাৰ সুৰক্ষা শক্তিশালী কৰা, কৃত্ৰিম বুদ্ধিমত্তা ভিত্তিত শক্তিশালী নিৰীক্ষণ ব্যৱস্থা স্থাপনৰ সন্দৰ্ভত বৈঠকত আলোকপাত কৰা হয়।

০০০০০০০০০

মাউণ্ট এভাৰেষ্টৰ শিখৰত সফলতাৰে উপনীত হোৱা ২৭৪গৰাকী পৰ্বতাৰোহীৰ ভিতৰত তিনিজন ভাৰতীয় পৰ্বতাৰোহীয়ে এদিনতে সৰ্বাধিক আৰোহণৰ নতুন অভিলেখ গঢ়ে। বিশ্ব অভিলেখ গঢ়া দলটোত থকা ভাৰতীয় তিনিগৰাকী পৰ্বতাৰোহী হ'ল তুলসী ৰেড্ডি পালপুনূৰী, সন্দীপ আৰে আৰু অজয় পাল সিং ধালিৱাল। এই বছৰৰ প্ৰথমভাগত নেপালৰ কামি ৰিতা শ্বেৰ্পাই ৩২ বাৰৰ বাবে মাউণ্ট এভাৰেষ্ট আৰোহণ কৰি নিজৰ অভিলেখ ভংগ কৰিছিল। একেদৰে নেপালৰ লক্‌পা শ্বেৰ্পাই ১১বাৰ একেলগে মাউণ্ট এভাৰেষ্ট আৰোহণ কৰা প্ৰথমগৰাকী মহিলা হিচাপে পৰিগণিত হয়।

০০০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ গুণগত মান আৰু ব্যৱস্থাপনাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। শ্ৰী গাডকাৰীয়ে যাত্ৰীসকলৰ সুবিধাৰ্থে যোগাযোগ ব্যৱস্থা সুচল কৰাৰ বাবে উন্নত ঘাইপথ তথা বহনক্ষমতা নিশ্চিত কৰিবলৈ উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ আৰু সময়মতে কাম সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে বৰ্ষাকালৰ বাবে সুৰক্ষামূলক ব্যৱস্থাকে ধৰি সকলোধৰণৰ প্ৰস্তুতি নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে সংবাদ মাধ্যম আৰু সামাজিক মাধ্যমৰ জৰিয়তে লাভ কৰা তথ্যৰ ভিত্তিত তেওঁ এই ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ গুণগত মান আৰু ব্যৱস্থাপনাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে।

নতুন দিল্লীত অনুষ্ঠিত এই বৈঠকত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী অজয় তামটা আৰু হৰ্ষ মলহোট্ৰাকে ধৰি অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০০০

পাকিস্তানৰ খাইবাৰ পাখতুনখোৱা প্ৰদেশৰ চাংলা জিলাত আজি দুটা পৃথক কয়লাখনি দুৰ্ঘটনাত দুজন শ্ৰমিকৰ মৃত্যু হোৱাৰ লগতে এজন গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হয়। প্ৰথম দুৰ্ঘটনাটো আখোৰৱাল কয়লাখনিত আৰু দ্বিতীয়তো চাপৰমাষ্টি এলেকাত সংঘটিত হয়। উদ্ধাৰকাৰী দল, স্থানীয় লোক আৰু সহকৰ্মী শ্ৰমিকসকলে আৱদ্ধ হৈ থকা শ্ৰমিক কেইজনক উদ্ধাৰ কৰে। পাকিস্তানৰ কয়লাখনিসমূহত সঠিক

নিৰাপত্তা ব্যৱস্থাৰ অভাৱ সম্পৰ্কে স্থানীয় বাসিন্দা আৰু শ্ৰমিক সংগঠনসমূহে গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক তৎকালে এনে ঘটনাৰ সমাধান কৰাৰ বাবে আহ্বান জনায়।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাট টাইটানছে ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ বাবে যোগ্যতা অৰ্জন কৰাৰ বিপৰীতে আজিৰ খেলখনত জয়লাভৰ জৰিয়তে চেন্নাই ছুপাৰ কিংছে পইণ্ট তালিকাৰ চতুৰ্থ স্থানত উপনীত হোৱাৰ আপ্ৰাণ প্ৰয়াস চলাব।

০০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু দক্ষিণ কোৰিয়াৰ পৰিক্ৰমা মন্ত্ৰী কুৱন ওহ-ইউলে আজি যুটীয়াভাৱে ছিউলৰ ইমজিঙাক পাৰ্কত ভাৰতীয় যুদ্ধ স্মাৰক উদ্বোধন কৰে। কোৰিয়ান যুদ্ধৰ ৭৫ সংখ্যক বাৰ্ষিকী উপলক্ষে স্মাৰক অনুষ্ঠানৰ অংশ হিচাপে এই স্মাৰকটো যুদ্ধৰ সময়ত ভাৰতীয় সেনা আৰু ভাৰতৰ প্ৰতিৰক্ষা বাহিনী ৬০ পেৰাফিল্ড এম্বুলেন্সৰ দ্বাৰা প্ৰদান কৰা সাহস, ত্যাগ আৰু মানৱীয় সেৱাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি হিচাপে নিৰ্মাণ কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কোৰিয়ান উপদ্বীপত শান্তি আৰু মানৱীয় সহায়ৰ ক্ষেত্ৰত ভাৰতৰ অৱদানৰ স্থায়ী উত্তৰাধিকাৰৰ ওপৰত আলোকপাত কৰে।

০০০০০০০০০

ঃঃ সমাপ্ত ঃঃ